# মামুনৰ ন্যায়

এদিনাখন কিছুমান ছাত্ৰ বিশ্ৰামৰ সময়ত বিদ্যালয়ৰ খেলপথাৰৰ কাষত থকা গছৰ তলত বহিছিল। তেওঁলোকে বিভিন্ন বিষয়ত কথা পাতি আছিল ঠিক সেই সময়তে মাজিদে তাৰ বন্ধু সকলক কৈছিলঃ প্ৰাচীৰ পত্ৰিকাত ছপাব বিচৰা গল্পটো তোমালোকক পঢ়ি শুনাও আহা যাতে তোমালোকে নিজৰ নিজৰ মতামত দিব পাৰা আৰু তাৰ বাবে এটা বিষয়বস্তু বাচি দিব পাৰা। তেওঁলোকে কৈছিলঃ আমি প্ৰস্তুত আছো। গতিকে সি গল্পটো তেওঁলোকক পঢ়ি শুনাইছিলঃ

আব্বাছী খলিফা মামুন শিক্ষ আৰু ন্যায় প্ৰেমী হিচাপে জনাজাত আছিল। তেওঁৰ দুটা সভাৰ ব্যৱস্থা আছিল- এটা আছিল পণ্ডিত সকলৰ লগত শিক্ষাৰ আলোচনাৰ বাবে আৰু আনটো আছিল অত্যাচাৰিত লোকক ন্যায় দিয়াৰ বাবে।

এদিনাখন তেওঁৰ সভাত এজনী মহিলা প্ৰবেশ কৰিছিল। তেওঁৰ ওপৰত যাত্ৰা কৰাৰ চিন-চাপ দেখা গৈছিল। তেখেতে ছালাম দি কৈছিলঃ

হে মুছলমান সকলৰ শাসক আল্লাহে আপোনাক মানুহৰ দায়িত্বভাৰ অৰ্পণ কৰিছে যাতে আপোনি তেওঁলোকৰ মাজত ন্যায় বিচাৰ কৰে। আৰু মই আপোনাৰ ওচৰত অভিযোগ দিবলৈ আহিছো যে এজন অত্যাচাৰিয়ে মোৰ মাটি কাঢ়ি লৈছে আৰু মোৰ ল'ৰা সকলক খেদি দিছে।

তেওঁ কৈছিলঃ সেইজন কোন?

তাই কৈছিলঃ আপোনাৰ ল'ৰা এইজন আব্বাছ যিজন আপোনাৰ কাষত থিয় হৈ আছে। তেতিয়া মামুনে নিজৰ ল'ৰা আব্বাছক মহিলা গৰাকিৰ ওচৰত থিয় দিবলৈ ইংগিত দিছিল যাতে তেওঁলোকৰ মাজত বিচাৰ কৰিব পাৰে। তাৰ পিছত তেওঁলোকৰ প্ৰত্যেককেই নিজৰ নিজৰ যুক্তি দাঙি ধৰিবলৈ কৈছিল।

মহিলা গৰাকিয়ে নিজৰ ঘটনা দাঙি ধৰিছিল আৰু তেখেতৰ মাত আব্বাছৰ মাততকৈ উচ্চ হৈছিল। উপস্থিত থকা এজনে তেখেতক কৈছিলঃ তুমি খলিফাৰ আগত আছা, তুমি ৰজাৰ লগত কথা কৈ আছা গতিকে লাহে লাহে কোৱা। তেতিয়া মামুনে তাক কৈছিলঃ তাইক এৰা নিশ্চয় সত্যই তাইক ক'ব দিছে আৰু মিছাই তাৰ শিৰ নত কৰাইছে। তেওঁলোক দুজনক শুনাৰ পিছত, মাটিখিনি মহিলা গৰাকিলৈ ঘুৰাই দিবলৈ আদেশ দিছিল আৰু নিজৰ ল'ৰাক তাৰ কৰ্মৰ বাবে ক্ষমা মাগিবলৈ কৈছিল। তাৰ পিছত তাইক খৰচ দিবলৈ আদেশ জাৰী কৰিছিল আৰু তাইৰ চহৰৰ বিষয়াজনলৈ পত্ৰ লিখিছিল তাইৰ লগত ভাল ব্যৱহাৰ কৰিবলৈ।

আমিৰে কৈছিলঃ হে মাজিদ তুমি ভাল বাচনি কৰিছা!

আৰু ছাদিকে কৈছিলঃ মই ভাৱো ইয়াৰ বিষয়বস্তু হ'ব লাগেঃ মামুনৰ ন্যায়।

আটায়ে কৈছিলঃ আমি শিক্ষা আৰু ন্যায় প্ৰেমৰ ক্ষেত্ৰত মামুনক আদৰ্শ হিচাপে ল'ম।